# Chapter 1 LETTER, WORD AND SENTENCE

| M | A | N |
|---|---|---|
| C | O | W |
| B | O | Y |

↓

**Letter**

| Man |
|---|
| Cow |
| Boy |

↓

**Word**

He is a boy.→**Sentence**

আমাৰ মনৰ ভাববিলাক কিছুমান চিনৰ সহায়ত লিখোঁ। এই চিনবিলাকক অসমীয়াত আখৰ বুলি কওঁ। এনে ধৰণৰ আখৰবিলাক লগ হৈ অৰ্থ প্ৰকাশ কৰিলে তাক শব্দ বোলে। শব্দ সমষ্টিয়ে কোনো অৰ্থ প্ৰকাশ কৰিলে তাক বাক্য বোলা হয়।

ইংৰাজীত আখৰবিলাক **letter,** শব্দক **word** আৰু বাক্যক **Sentence** বুলি কোৱা হয়। যেনে—

**Letter-** M, A, N, C, O, W, B, O, Y.
**Word -** Man, Cow, Boy.
**Sentence** - He is a boy.
She is a girl.

My name is Mina Baruah.
I am a girl.
I read in class VI.
He is my brother.
His name is Anil.



OPPO A1k · ©Subal Ray

## LETTER (আখৰ)

ইংৰাজীত ২৬ টা আখৰ আছে। এই ২৬টা আখৰৰ সমষ্টিক Alphabet (বৰ্ণমালা) বোলে। **Alphabet**-ক তলত দিয়া ধৰণে লিখা হয়।

- (a) Printing Capital Letters (ছপাত লিখা ডাঙৰ আখৰ)।
- (b) Printing Small Letters (ছপাত লিখা সৰু আখৰ)।
- (c) Hand-Writing Capital Letters (হাতেৰে লিখা ডাঙৰ আখৰ)।
- (d) Hand-Writing Small Letters (হাতেৰে লিখা সৰু আখৰ)।

**(a) Printing Capital Letters:**

A B C D E F G H
I J K L M N O P
Q R S T U V W
X Y Z

**(b) Printing Small Letters**

a b c d e f g h
i j k l m n o p
q r s t u v w
x y z

**c) Hand-writting Capital Letters:**

*A B C D E F G H*
*I J K L M N O P*
*Q R S T U V W*
*X Y Z*

**d) Hand-writting Small Letters:**

*a b c d e f g h i j k l*
*m n o p q r s t u v w*
*x y z*

ইংৰাজীত Letter বিলাকৰ ভাগ তিনিটা (i) **Vowel** (স্বৰবৰ্ণ)। (ii) **Consonant** (ব্যঞ্জনবৰ্ণ) আৰু (iii)**Semi-vowel** (অৰ্দ্ধস্বৰবৰ্ণ)।

OPPO A1k · ©Subal Ray

ইংৰাজী বৰ্ণমালা ২৬ টা আখৰৰ ভিতৰত ৫ টা Vowel ১৯ টা Consonant আৰু ২ টা Semi-vowel আছে। সেইবিলাক হ'ল —

(a) Vowels : A E I O U

(b) Consonants : B C D F G H J K L
M N P Q R S T V X Z

(c) Semi-vowel : W Y

Vowel হ'ল শব্দ গঠনকাৰী Letter. Vowel অসমীয়া স্বৰবৰ্ণৰ দৰে আন বৰ্ণৰ সহায় নোহোৱাকৈ উচ্চাৰণ হ'ব পাৰে। Consonant ৰ সংখ্যা অধিক যদিও Vowel ৰ সহায় নৈলেহে উচ্চাৰণ হ'ব পাৰে।

তাৰোপৰি w আৰু **y** এই letter দুটা কেতিয়াবা vowel আৰু কেতিয়াবা consonant ৰূপে ব্যৱহাৰ হয়, সেই কাৰণে ইহঁতক semi-vowel বোলা হয়। শব্দৰ আগত থাকিলে consonant আৰু পিছত থাকিলে **vowel** হয়।

## CAPITAL LETTERS

### Uses of Capital Letters :

○ 1. ইংৰাজী sentence ৰ প্ৰথম letter টো সদায় capital letter হয়। যেনে — This is a book.

○ 2. মানুহৰ নাম আৰু উপাধিৰ প্ৰথম letter টো capital letter হয়। যেনে — Ramesh Sharma, Rahamat Ali, Arabinda Borah.

○ 3. কোনো ঠাইৰ নামৰ প্ৰথম letter টো সদায় capital letter হয়। যেনে — Guwahati, Nalbari, Delhi.

○ 4. পৰ্বতশ্ৰেণী, নদ-নদী, সাগৰ-মহাসাগৰ আদিৰ নামৰ প্ৰথম letter টো সদায় capital letter হয়। যেনে — The Himalayas, The Brahmaputra, The Indian Ocean.

○ 5. পুথিৰ নাম আৰু বাতৰি কাকতৰ নামৰ প্ৰথম letter টো সদায় capital letter হয়। যেনে — The Gita, The Bible, The Assam Tribune. The Asom Bani.

○ 6. দিন আৰু মাহৰ নামৰ প্ৰথম letter টো সদায় capital letter হয়।

OPPO A1k · ©Subal Ray

যেনে — Monday, Sunday, January, February.

❍ 7. 'I' অৰ্থ যেতিয়া 'মই' হয়, তেতিয়া ই বাক্যৰ যি কোনো ঠাইতেই capital letter হয়। যেনে — Ram and I went there.

❍ 8. বুৰঞ্জী প্ৰসিদ্ধ কীৰ্তিস্তম্ভ আদিৰ নামৰ প্ৰথম letter টো সদায় capital letter হয়। যেনে — The Red Fort, The Taj Mahal, The Qutub Minar.

## WORD (শব্দ)

এটা বা তাতকৈ বেছি letter লগ হৈ অৰ্থ প্ৰকাশ কৰিলে তাক **word** (শব্দ) বোলে। অৰ্থ প্ৰকাশ কৰিলে একোটা letter বেও একোটা **word** হয়। আগতে দিয়াবোৰৰ প্ৰত্যেকটোৱেই একোটা **word.**

| | | |
|---|---|---|
| man- মানুহ | book- কিতাপ | he - তেওঁ |
| dog- কুকুৰ | hand- হাত | you- তুমি |
| boy- ল'ৰা | girl- ছোৱালী | I- মই |

## SENTENCE (বাক্য)

| Word | Word | Word | Word | Sentence |
|---|---|---|---|---|
| This | is | a | book | This is a book. |
| This | is | a | boy | This is a boy. |
| We | can | play | football | We can play football |
| Ram | is | a | student | Ram is a student. |
| This | is | Rahim | -- | This is Rahim. |

দুটা বা তাতকৈ বেছি word লগ হৈ এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিলে তাক **Sentence** (বাক্য) বোলা হয়। ওপৰৰ তালিকাখন চোৱা। আমাৰ মনৰ কোনো এটা ভাব সম্পূৰ্ণকৈ প্ৰকাশ কৰিবৰ কাৰণে কিছুমান word ৰ প্ৰয়োজন হয়। এই word বিলাক একেলগে বহি সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিলে তাক **Sentence** বুলি কোৱা হয়।

This is a book – এইটো এটা Sentence.

কিন্তু This a book is – এইটো এটা Sentence নহয়।

OPPO A1k · ©Subal Ray

# SUBJECT AND PREDICATE

## (উদ্দেশ্য আৰু বিধেয়)

প্ৰত্যেক Sentence ৰ দুটা অংশ আছে, যেনে— (i) Subject (উদ্দেশ্য) আৰু (ii) Predicate (বিধেয়)।

**(i) Subject** : যাৰ সম্বন্ধে বা যাক উদ্দেশ্য কৰি কোনো কথা কোৱা হয়, তাক Subject আৰু

**(ii) Predicate** : Subject সম্বন্ধে যি কোৱা হয়, তাক Predicate বোলে। Sentence ৰ ভিতৰত Subject ৰ বাদে বাকী অংশ Predicate.

| Sentence | Subject | Predicate |
|---|---|---|
| This is a book | This | is a book. |
| We can play football | We | can play football. |
| Ram is a student | Ram | is a student. |
| I am a boy | I | am a boy. |

## Kinds of Sentences

প্ৰকাশভংগী অনুসৰি sentence বোৰক তলত দিয়া পাঁচ ভাগত ভাগ কৰা হৈছে।

1. Assertive Sentence - বৰ্ণনামূলক বাক্য।
2. Interrogative Sentence -- প্ৰশ্নবোধক বাক্য।
3. Imperative Sentence -- আদেশ, অনুৰোধ, উপদেশমূলক বাক্য।
4. Optative Sentence -- ইচ্ছা বা আশীৰ্বাদসূচক বাক্য।
5. Exclamatory Sentence -- আবেগ বা বিস্ময়সূচক বাক্য।

☐ **1. Assertive Sentence** : এই Sentence বিলে ব্যক্তি, বস্তু, ঠাই, অৱস্থা, কাৰ্য ইত্যাদি বৰ্ণনা কৰে।

**Examples** :
She is beautiful.
This is a book.
I am a boy.
Blood is red.

OPPO A1k · ©Subal Ray

❑ **2. Interrogative Sentence :** এই বিধ Sentence এ প্ৰশ্ন সোধে। ইয়াক সেইবাবে Question ও বোলে।

**Examples :** What is your name?
Who is he?
Is he a good boy?
Does he go to school?

Interrogative Sentence-ত Subject বোৰ Verb ৰ পিছত বহে। Sentence-ৰ শেষত Note of Interrogation বা Question Mark "?" ব্যৱহাৰ কৰা হয়।

❑ **3. Imperative Sentence :** এই বিধ Sentence এ আদেশ দিয়া (to order), অনুৰোধ কৰা (to request) আৰু উপদেশ দিয়া বুজাই।

**Examples :** Go there. Do not tell a lie.
Come here. Open the door.

এই প্ৰকাৰৰ Sentence-ত সাধাৰণতে Subject উহ্য থাকে। ইয়াৰ শেষত Full stop "." ব্যৱহাৰ কৰা হয়।

❑ **4. Optative Sentence :** এইবিধ Sentence এ আমাৰ মনৰ ইচ্ছা, অভিলাষ (wishes), প্ৰাৰ্থনা, আশীৰ্বাদ আদি প্ৰকাশ কৰে। Sentence বিধ সাধাৰণতে 'May' ৰে আৰম্ভ হয়। ইয়াৰ শেষত Full stop বহে।

**Examples :** May he live long.
May you be happy.
May God help you.
Long live the king.

❑ **5. Exclamatory Sentence :** এইবিধ Sentence এ আমাৰ মনৰ আনন্দ (joy), বেজাৰ (Sorrow), আবেগ, উত্তেজনা আদি প্ৰকাশ কৰে।

**Examples :** Hurrah, we have won the game!
How beautiful the rose is!
How lovely the girl is!
Alas, he is no more!

Alas, (হায়! হায়!), Oh God! (হায় ভগৱান), Hurrah ! (বাঃ বাঃ) আদি Interjection এৰে এইবিধ sentence আৰম্ভ হয়।

What আৰু How ৰেও এইবিধ Sentence আৰম্ভ কৰা হয়। ইয়াৰ শেষত

OPPO A1k · ©Subal Ray

note of exclamation '!' ব্যৱহাৰ কৰা হয়।

Note the distinction in word order between an interogative and an exclamatory sentence beginning with "How"

তলৰ তালিকাখন ভাল দৰে লক্ষ্য কৰা :

| Interrogative | Exclamatory |
|---|---|
| (i) How tall is the girl? | How tall the girl is! |
| (ii) How old are you? | How old you are! |
| (iii) How lovely is the girl? | How lovely the girl is! |

অৰ্থ অনুসৰি sentence- বোৰক দুটা ভাগত ভগোৱা হয়।

(i) Affirmative (হয় বুজোৱা) আৰু

(ii) Negative (নহয় বুজোৱা)।

## Formation of Negative Sentences

Verb- ৰ পিছত not (নহয়, নাই) যোগ কৰি Negative Sentence গঠন কৰা হয়। am, is, are, was, were, do, does, did, have, has, had, can, could, may, might, must এইবোৰক Auxiliary বা helping verb (সহায়কাৰী ক্ৰিয়া পদ) বোলা হয়। এইবোৰৰ পিছত "not" যোগ কৰা হয়।

**Examples :**

| Affirmative | Negative |
|---|---|
| 1. This is a book. | This is not a book. |
| 2. They are good boys. | They are not good boys. |
| 3. I am a student of class VI. | I am not a student of class VI. |
| 4. They were playing. | They were not playing. |
| 5. We do have a car. | We do not have a car. |
| 6. Papori can sing. | Papori cannot sing. |
| 7. She will dance. | She will not dance. |

Auxiliary verb নাথাকিলে do, does আৰু did ৰ সহায় লৈ Affirmative Sentence Negative কৰা হয়।

OPPO A1k · ©Subal Ray

## Table - 1

| Affirmatives | Negatives |
|---|---|
| 1. We play. | We do not play. |
| 2. They work. | They do not work. |
| 3. I go to school. | I do not go to school. |
| 4. You know English. | You do not know English. |
| 5. Stand up. | Do not stand up. |

## Table - 2

| Affirmatives | Negatives |
|---|---|
| 1. He plays cricket. | He does not play cricket. |
| 2. She eats bananas. | She does not eat bananas. |
| 3. Raju drives a car. | Raju does not drive a car. |
| 4. It rains. | It does not rain. |
| 5. My father teaches me. | My father does not teach me. |
| 6. A good boy learns. | A bad boy does not learn. |

## Table - 3

| Affirmatives | Negatives |
|---|---|
| 1. We played. | We did not play. |
| 2. He came. | He did not come. |
| 3. She sang. | She did not sing. |
| 4. I run. | I did not run. |
| 5. The worked. | They did not work. |
| 6. The bird flew. | The bird did not fly. |
| 7. Poppy saw a Giraffe. | Poppy did not see a Giraffe. |



মনত ৰাখিবা ঃ 1st আৰু Second Person ৰ Subject- ৰ লগত "do" ব্যৱহাৰ কৰা হয়। 3rd Person Singular Number- ৰ Subject- ৰ লগত does ব্যৱহাৰ কৰা হয়। Past Tense বুজাবলৈ সকলোৰে সৈতেই did ব্যৱহাৰ কৰা হয়। (Table No. 1, 2 আৰু 3.)

OPPO A1k · ©Subal Ray

## Formation of Interrogative Sentences :

Auxiliary বোৰ subject-ৰ লগত বহুৱাই আৰু Auxiliary নাথাকিলে do, does বা did subject ৰ আগত বহুৱাই Interrogative Sentence গঠন কৰা হয়।

**Example :**

| Assertive | Interrogative |
|---|---|
| 1. That boy is Ankur. | Is that boy Ankur? |
| 2. They are my friends. | Are they my friends? |
| 3. He has a doll | Has he a doll? |
| 4. I shall go. | Shall I go? |
| 5. She will sing. | Will she sing? |
| 6. Raj can drive. | Can Raj drive? |
| *7. We play cricket. | Do we play cricket? |
| * 8. Birds fly. | Do birds fly? |
| *9. He comes here. | Does he come here? |
| *10. She sings. | Does she sing? |
| *11. The wind blew. | Did the wind blow? |
| * 12.Father killed the snake. | Did father kill the snake? |

**Note : (*)** তৰা চিহ্নৰ Sentence বোৰত Auxiliary নাই বাবে অতিৰিক্ত do, does আৰু did ৰ সহায় লৈ Interrogative কৰা হৈছে।

## EXERCISE

☐ 1. তলত দিয়া **Sentence** বোৰৰ কোন কোন **letter** বিলাক **Capital Letter** হ'ব লিখা ঃ

(i) she is geeta. (ii) my name is biren dutta. (iii) guwahati is a city. (iv) he went to delhi. (v) we see the Taj Mahal. (vi) he will come on monday. (vii) i always read the asom bani. (viii) the brahmaputra is a big river.

OPPO A1k · ©Subal Ray

❑ 2. তলত দিয়া letter বিলাকৰ সহায়ত ৬ টা word গঠন কৰা :

| | | |
|---|---|---|
| C | D | M |
| B | P | G |

| | | |
|---|---|---|
| A | O | E |
| O | O | E |

| | | |
|---|---|---|
| T | G | N |
| K | N | O |

❑ 3. তলত দিয়া word বোৰক ভালকৈ বহুৱাই শুদ্ধ Sentence গঠন কৰাঃ

(i) You Hari are. (ii) This book is a. (iii) I a boy am. (iv) My is name Jadu. (v) A girl this is. (vi) Rina she is. (vii) I a pen have. (viii) Book is a that.

❑ 4. তলত দিয়া তালিকাৰ পৰা ১০ টা sentence সাজা :

| | | |
|---|---|---|
| I<br>He<br>We<br>This<br>Ram, they | am<br>is<br>are | a boy, boys<br>Hari<br>students, a pencil<br>a book, a pen |

❑ 5. **Write the following sentences in the negative :**

(a) I am a small boy.
(b) They are pupils.
(c) This is a pen.
(d) The teacher is here.
(e) Those are goats.
(f) She is Geeta Devi.
(g) These are my books.
(h) They are going to school.
(i) We can play football.
(j) He has a car.

❑ 6. **Write as many sentences as you can from the table given below.**

(I)

| | | | |
|---|---|---|---|
| I<br>We<br>They | do not | walk<br>read<br>play | in the morning. |
| He<br>Ram | does not | | |

OPPO A1k · ©Subal Ray

(II)

<table>
<tr><td>Do</td><td>you<br>they</td><td>walk</td><td rowspan="2">in the morning?</td></tr>
<tr><td>Does</td><td>he<br>she<br>Ram</td><td>read<br>play</td></tr>
</table>

❑ **7. Make four sentences from this table :**

<table>
<tr><td rowspan="2">Is</td><td rowspan="2">this<br>that</td><td>a</td><td>door<br>window</td><td>?</td></tr>
<tr><td>an</td><td>ant<br>elephant</td><td>?</td></tr>
</table>

❑ **8. Translate into English :**

ইয়ালৈ অহা। কিতাপ খন পঢ়া। তোমাৰ দেউতাৰাৰ নাম কি? তোমাক কি লাগে? ৰাম এজন ল'ৰা। এইখন এখন কিতাপ। তাই ধুনীয়া। ছোৱালীজনী গ'ল। সি সুখী হওক। গোলাপ ফুলপাহ কেনে ধুনীয়াহ্ন তাৰ নাম ৰহিম। মোৰ নাম হৰি। তোমাৰ নাম কি? সি ভাল ল'ৰা নহয়।

OPPO A1k · ©Subal Ray